ৰাজনীতি

‘TMC চৰকাৰে কেৱল মুছলমানকহে সংখ্যালঘু বুলি গণ্য কৰিছিল’—পূৰ্বৰ চৰকাৰক সমালোচনা পশ্চিমবংগৰ মুখ্যমন্ত্রী শুভেন্দু অধিকাৰীৰ

পূৰ্বৰ তৃণমূল কংগ্রেছ চৰকাৰে কেৱল মুছলমানসকলকহে সংখ্যালঘু হিচাপে গণ্য কৰিছিল বুলি অভিযোগ মুখ্যমন্ত্রী শুভেন্দু অধিকাৰীৰ।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১২



Shubhendu Adhikari (Social Media)

কলকাতা, ১৫ নৱেম্বৰ: পশ্চিমবংগৰ পূৰ্বৰ তৃণমূল কংগ্রেছ চৰকাৰে কেৱল মুছলমান সম্প্রদায়কহে সংখ্যালঘু হিচাপে গণ্য কৰিছিল বুলি অভিযোগ উত্থাপন কৰিছে ৰাজ্যখনৰ মুখ্যমন্ত্রী শুভেন্দু অধিকাৰীয়ে।

দেওবাৰে কলকাতাৰ বুৰ্ৱাবজাৰত অৱস্থিত গুৰুদ্বাৰা বড়া শিখ সংগঠনত উপস্থিত হৈ শিখ সম্প্রদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰাৰ সময়ত মুখ্যমন্ত্রীগৰাকীয়ে এই মন্তব্য কৰে।

> সংখ্যালঘু বুলিলে কেৱল এটা নির্দিষ্ট সম্প্রদায়ক বুজোৱা নহয়। শিখ, বৌদ্ধ আৰু জৈন সম্প্রদায়ৰ লোকসকলো ধর্মীয় সংখ্যালঘুৰ অন্তর্ভুক্ত।

পূৰ্বৰ তৃণমূল কংগ্রেছ চৰকাৰে কেৱল মুছলমানসকলকহে সংখ্যালঘু হিচাপে বিবেচনা কৰিছিল বুলি তেওঁ

অভিযোগ কৰে। শিখ সম্প্রদায়ৰ দেশপ্রেমৰ প্রশংসা কৰি তেওঁলোকক ‘প্রকৃত দেশপ্রেমী’ বুলিও অভিহিত কৰে অধিকাৰীয়ে।

পূর্বৰ মুখ্যমন্ত্রী মমতা বেনার্জীৰ নেতৃত্বাধীন তৃণমূল কংগ্রেছ চৰকাৰৰ বিৰুদ্ধে সংখ্যালঘু সম্প্রদায়ক লৈ তুষ্টিকৰণৰ ৰাজনীতি কৰাৰ অভিযোগ অধিকাৰীয়ে পূর্বেও উত্থাপন কৰি আহিছে। অৱশ্যে, এইবাৰৰ বক্তব্যত তেওঁ পূর্বৰ চৰকাৰৰ কোনো নির্দিষ্ট আঁচনি বা নীতি সম্পর্কে কোনো তথ্য দাঙি ধৰা নাই।

তেওঁৰ এই মন্তব্যক লৈ পশ্চিমবংগৰ ৰাজনৈতিক মহলত নতুনকৈ চর্চা আৰম্ভ হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3299/suvendu-odhikaee-trrinmuul-sngkhzalghu-mntbz